জন বৰ্ডলি ৰলছ — (John Bordley Rawls) — 1921-2002

বিশ শতিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আমেৰিকান ৰাজনৈতিক দাৰ্শনিক জন ৰলছ ন্যায়সম্পৰ্কীয় তত্ত্বৰ লগত জড়িত। এই ন্যায়সম্পৰ্কীয় তত্ত্বটোৱে মানৱ অধিকাৰৰ ধাৰণাৰ বিকাশত অবিহণা যোগাইছে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ বিশিষ্ট অধ্যাপক ৰলছে তেওঁৰ A Theory of Justice (1971) নামৰ গ্ৰন্থত ন্যায়িক তত্ত্বৰ দ্বাৰা মানুহৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে এক সুস্পষ্ট ধাৰণা দাঙি ধৰিছে।

ৰলছে তেওঁ ন্যায় তত্ত্বত সামাজিক ন্যায়ৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ 'সমতা বা ঔচিত্য হিচাপে ন্যায়' (Justice as fairness) তত্ত্ব আগবঢ়াইছিল। এই তত্ত্বটো এনে বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত যে সামাজিক অসমতাক তেতিয়াহে ন্যায্যতা প্ৰদান কৰিব পাৰি যেতিয়া ই সমাজৰ নিম্নতম সুবিধাভোগী শ্ৰেণীটোৰ মঙ্গলৰ কাৰণে ব্যৱহৃত হয়। সামাজিক ন্যায় সমাজৰ সকলো শ্ৰেণীৰ লোকক জাতি বৰ্ণ, লিংগ ধৰ্ম আদি নিৰ্বিশেষে সমান অধিকাৰৰ ব্যৱস্থা কৰে। বৈষম্যমুক্ত সমাজতহে ব্যক্তিৰ ব্যক্তিত্ব বিকাশ সম্ভৱ। সামাজিক সমতা আৰু সামাজিক অধিকাৰ অবিহনে সামাজিক ন্যায় প্ৰতিষ্ঠা কোনোমতে সম্ভৱ নহয়।

ৰলছে ন্যায়ৰ নীতি ব্যাখ্যা কৰোঁতে 'সামাজিক চুক্তি তত্ত্ব' টো ব্যৱহাৰ কৰিছে যদিও ই পূৰ্বৰ হব্‌চ, ল'ক, ৰুছোৰ সামাজিক চুক্তি তত্ত্বৰ পৰা কিছু পৃথক। ৰলছৰ এই চুক্তিত চুক্তিৰ পক্ষবোৰে এক অজ্ঞানতাৰ আৱৰণ (Veil of ignorance) ৰ আঁৰত থকাত তেওঁলোকে নিজৰ বিষয়ে জ্ঞান বা চৰিত্ৰৰ বিষয়ে অৱগত নহয়।

2021-6-30 09:45

ফলত উদ্যোগীলোকৰ সমাজশালী, প্ৰতিযোগিশালী-পুৰুষ বা বৰ্গৰ মানুহক বিশেষ সুবিধা প্ৰদান কৰিব লগা ন্যায়ৰ নীতি পালন কৰি নিজকে উপকৃত কৰিব নোৱাৰে। এনে অৱস্থাত উচ্চ লোকে এনে অসমতাৰ পৰিপূৰ্ণ সমাজতকৈ সমতাপূৰ্ণ (egalitarian) সমাজত বসবাস কৰিবলৈ পছন্দ কৰিছিল। ফলত পিছত ক্ৰমশঃ উদাৰ দেশ অথবা সমাজবাদিক দৃষ্টিত জনপ্ৰিয়তা ৰলছে অৰ্থনৈতিক গুৰুত্ব বৃদ্ধি কৰিছিল।

ৰলছৰ ন্যায়ৰ উপৰোক্ত নীতি উদাৰ যুক্তিসংগত সিদ্ধান্তৰ ফল। এই নীতিসমূহ গণতান্ত্ৰিক আৰু নৈতিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। নৈতিক দিশত আৰু অংশগ্ৰহণকাৰীয়ে ব্যক্তিগত স্বাৰ্থ আৰু পক্ষপাতিত্বৰ ঊৰ্দ্ধত অৰ্থক বিবেচনা কৰে। ৰলছে ন্যায়ক সততা হিচাপে গণ্য কৰিছে কিয়নো সৎ, সৎ বুজাবুজিৰ মাজেৰে উদ্ভৱ হয়। ৰলছৰ মতে জনসাধাৰণে ভৱিষ্যত অজ্ঞানতাৰ আৱৰণত নিজৰ মৰ্যাদা সম্পৰ্কে সচেতন নহয় বুলি উদ্যোগীলোকৰ সুৰ্ব্ব, পৰিস্থিতি সম্পৰ্কে জানিবলৈ নিজেও পাৰিবলৈ স্বাচ্ছন্দ্য বোধ কৰি পৰিস্থিতি সকলো নিৰপেক্ষ ভাৱে চিন্তা কৰিবলৈ চেষ্টা কৰে। ৰলছৰ মতে ন্যায়ৰ দুটা প্ৰধান নীতি হ'ল —

১। আনৰ স্বাধীনতাৰ লগত সামঞ্জস্য ৰখাকৈ সৰ্বোচ্চ স্বাধীনতা নিৰ্ণয় কৰা।

২। সমাজৰ নিম্নতম শ্ৰেণীটোৰ অৰ্থনৈতিক বেছি উপকৃত হ'ব পৰাকৈ সামাজিক গুনৰ বিতৰণৰ ব্যৱস্থা কৰা।

2021-6-30 09:45

এই দ্বিতীয় নীতিটোক 'মেক্সিমিন নীতি' (Maximin principle) হিচাপে জনা যায়। ইয়াৰ দ্বাৰা সমাজৰ নিম্নতম স্তৰত থকা শ্ৰেণীটোৰ সৰ্বোচ্চ কল্যাণৰ বাবে চেষ্টা কৰা হয়। এনে নীতিৰ দ্বাৰা প্ৰাকৃতিক সম্পদৰ সমবিতৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। The Second Principle of Justice - talks about the social and economic inequalities which are to be arranged so that offices and positions must be open to everyone under conditions of 'fair equality of opportunity' and they are to be the greatest benefit to the least advantaged members of the Society. ৰলছৰ মতে, নাগৰিকৰ প্ৰাথমিক প্ৰয়োজনীয় বস্তুসমূহ (Primary goods) হৈছে- অধিকাৰ, স্বাধীনতা, ক্ষমতা, সম্পত্তি, সুযোগ-সুবিধা আৰু আত্মসন্মান। নাগৰিকে সুৰ্ণপ্ৰাপ্তি কৰে সমাজত অংশীদাৰৰ আৰ্থিক সুবিধাবোৰ লাভ কৰাটো উচিত। ৰলছৰ মতে, ব্যক্তিৰ সকলো অধিকাৰ সমান লাগে। কিন্তু কোনো সমাজ ব্যৱস্থাতে সম্পূৰ্ণ সমতা প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ নহয়। কিন্তু ~~সমবিতৰণ সমাধি~~ সম-অধিকাৰ ভোগ কৰোতে যাতে সমাজৰ দুৰ্বল তথা নিম্ন শ্ৰেণীটোৰ লোক শোষিত-বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

উপৰোক্ত ৰলছৰ তত্ত্বৰ ন্যায় তত্ত্ব ভৱিষ্যতে মানৱ অধিকাৰৰ বিকাশতো গুৰুত্বৰ অৱদান আগবঢ়াইছে।

~~Rousseau~~

## জাঁ জেক্স ৰুছো (Jean Jacques Rousseau) (1712–1778)

ফৰাচী দাৰ্শনিক ৰুছো ১৮শ শতিকাৰ এজন বিশিষ্ট দাৰ্শনিক। তেওঁৰ লিখনিসমূহৰ দ্বাৰা ৰাজনৈতিক চিন্তাবিদসকল বিশেষভাৱে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল। তেওঁ Discourses on the Origin and foundations of inequality among men (1755) নামৰ ৰচনাত ব্যক্তিগত সম্পত্তি ব্যৱস্থাৰ আক্ৰমণ কৰিছিল আৰু সমাজত প্ৰচলিত অসমতাৰ মূল কাৰক হিচাপে ইয়াক প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ অন্যান্য গ্ৰন্থসমূহ হৈছে— The New Heloise (1761), Emile (1762) Social Contract (1762) Considerations on the Govt. of Poland (1767) Reveries of the Solitary Walker (1776). আদিয়েই প্ৰধান।

হ'বচ, ল'কৰ দৰে ৰুচোৱেও বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ সৃষ্টিৰ পূৰ্বে মানুহে প্ৰকৃতি ৰাজ্যত বাস কৰিছিল। ৰুচোৰ মতে প্ৰকৃতি ৰাজ্যত মানুহে সুখ শান্তিৰে বাস কৰিছিল। মানুহে প্ৰকৃতি ৰাজ্যত স্বৰ্গত বাস কৰাৰ দৰে বাস কৰিছিল। ~~ৰুচোৰ~~ মতে তেওঁৰ মতে মানুহে স্বভাৱতেই ভাল কিন্তু ভুল সামাজিক ব্যৱস্থাই তেওঁক দুষ্ট প্ৰকৃতিৰ কৰি তোলে। মানুহৰ দুই বিধৰ প্ৰেৰণাদায়ক প্ৰাকৃতিক হয়— আত্মপ্ৰীতি আৰু সহানুভূতি। আত্মপ্ৰীতি ভুল পথেৰে গ'লে অহংকাৰৰ জন্ম হয়। অহংকাৰ পৰিত্যাগ কৰিব পাৰিলে আকৌ আৰু পুনৰ মুক্ত হ'ব পাৰি আৰু প্ৰকৃতিৰ ৰাজ্যলৈ উভতি যাব পাৰি।

ৰুচোৰ মতে প্ৰকৃতিৰ ৰাজ্যত মানুহে সমান অধিকাৰ ভোগ কৰি শান্তিপূৰ্ণ জীৱন যাপন কৰিছিল। সম্পত্তিৰ মালিকীস্বত্ব তেওঁলোকে সামূহিক ভাৱে লাভ কৰিছিল আৰু তেওঁলোকৰ জীৱন ধাৰণৰ প্ৰণালী সৰল আৰু প্ৰাকৃতিক আছিল। কিন্তু ব্যক্তিগত সম্পত্তিৰ আবিষ্কাৰ হোৱাৰ ফলত অসমতাই গা কৰি উঠিল। লগতে মানুহৰ মাজত প্ৰবল দুৰ্বলৰ বৃদ্ধি পালে। ৰুচোৰ মতে এনে কৃত্ৰিম অসমতাৰ ফলত সমাজত অশান্তিৰ সৃষ্টি হয়। বিভিন্ন সম্পত্তি ৰক্ষণাবেক্ষণৰ বাবে মানুহক আইন আৰু চৰকাৰৰ প্ৰয়োজন হ'ল। ৰুচোৰ মতে ধনী ঐশ্বৰ্য্যশালী সমাজ ব্যৱস্থাৰ সৃষ্টি কৰিছিল — শান্তি বজাই ৰখা আৰু মানুহৰ সম্পত্তিৰ অধিকাৰত নিৰাপত্তা প্ৰদান কৰা।

Social Contract নামৰ গ্ৰন্থ ৰুচোৱে উল্লেখ কৰিছিল 'মানুহে মুক্ত ভাৱে জন্মগ্ৰহণ কৰে, কিন্তু তেওঁক সকলোতে শৃংখলিত কৰি ৰখা হয়।' কিন্তু তেওঁৰ মতে মানুহক শৃংখলিত কৰি ৰখাৰ কোনো আৱশ্যকতা নাই। সমাজ বা ৰাষ্ট্ৰখন যদি প্ৰতাৰণামূলক সামাজিক চুক্তিৰ পৰিবৰ্তে প্ৰকৃত বা আচল সামাজিক চুক্তিৰ উপৰত প্ৰতিষ্ঠিত হয় তেতিয়া হ'লে মানুহে তেওঁলোকৰ স্বাধীনতা বিনিময়ৰ [illegible] অধিক সুবিধাজনক

2021-6-30 09:45

ৰাজনৈতিক স্বতন্ত্ৰতা লাভ কৰিব। ৰুছোৰ সামাজিক চুক্তিত প্ৰত্যেকে নিজৰ সকলো অধিকাৰ সামূহিক ইচ্ছাৰ নিকট সমৰ্পণ কৰে। এই চুক্তিৰ দ্বাৰা মানুহে নিজৰ প্ৰাকৃতিক অধিকাৰৰ পৰিবৰ্তে সামাজিক অধিকাৰ লাভ কৰে। অৰ্থাৎ ৰুছোৰ অধিকাৰসমূহ [illegible] লাভ কৰে। অৰ্থাৎ ৰুছোৰ অধিকাৰসমূহ সাধাৰণ ইচ্ছাৰ জৰিয়তে আৰু সমাজৰ সামূহিক ... পৰিচালিত হয়। ৰুছোৱে সঁচা আইন (true law) আৰু প্ৰকৃত আইনৰ (actual law) মাজত পাৰ্থক্য দেখুৱাইছিল। ৰুছোৰ Discourse on the Origin of Inequality'ত উল্লেখ কৰিছিল যে প্ৰকৃত আইনে স্থিৰকৰা ব্যৱস্থা কায়েম। সঁচা আইনৰ বিষয়ে The Social Contract'ত উল্লেখ কৰিছিল যে ই ন্যায়সংগত আইন।

ৰুছোৰ ধৰ্ম-মত পৰা জানিব পাৰি যে ৰুছোৱে ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিছিল। অৱশ্যে ৰুছোৱে ধৰ্মৰ উপাসনাৰ স্বীকৃতি দিছিল। According to Maxey, Religion was purely civil profession of faith of which sovereign should fix the articles, not exactly as religious dogmas, but as social sentiment without which a man cannot be a good citizen or faithful subject.

এইদৰে হবছ, লক, আৰু ৰুছোৱে ব্যক্তিৰ স্বাভাৱিক অধিকাৰৰ বিষয়ে উল্লেখ কৰাৰ উপৰিও সকলো মানুহৰ অধিকাৰ আৰু কল্যাণৰ [illegible] আৰোপ কৰিছিল।

2021-6-30 09:4